২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ ধাৰণাটো কেতিয়াবা পৰিয়াল পৰিকল্পনা অথবা যৌন শিক্ষাৰ ধাৰণাটোৰ লগত একে বুলি ধৰা হয়। কিন্তু প্ৰকৃতাৰ্থতে ইয়াৰ মাজত কিছু পাৰ্থক্য আছে। যৌন শিক্ষা বুলিলে যৌন ৰোগৰ প্ৰতিৰোধৰ ওপৰত জোৰ দিয়া হয়। পৰিয়াল পৰিকল্পনাও জনসংখ্যা শিক্ষাৰ এটা অধ্যয়নৰ বিষয়হে। যৌন শিক্ষাৰ মূল লক্ষ্য হ'ল ব্যক্তি কিন্তু জনসংখ্যা শিক্ষাই ব্যক্তি পৰিয়াল, সমাজক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত হোৱা আন্তঃক্ৰিয়াক বুজায়। ইয়াৰোপৰি, পৰিয়াল পৰিকল্পনা হ'ল বিবাহিত পুৰুষ-মহিলাৰ বাবে আৰু এয়া হৈছে এক সম্পূৰ্ণ চিকিৎসা বিষয়ক বিষয়। ইয়াৰ বিপৰীতে, জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কাৰ্যসূচী যি জনসংখ্যা বিষয়ক সজাগতা সৃষ্টি আৰু বোধ গঢ়ি তোলা বাবে চেষ্টা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা হ'ল আপেক্ষিকভাৱে নতুন অধ্যয়ন ক্ষেত্ৰ। জনসংখ্যা বিষয়বোৰ সদায় পৰিৱৰ্তনশীল। সেয়ে, জনসংখ্যা শিক্ষাৰ ধাৰণাটো পৰিৱৰ্তিত প্ৰয়োজন, আৱশ্যকতা আৰু নতুনকৈ আহি পৰা বিষয় আৰু চিন্তাবোৰক সামৰি লাহে লাহে বিকশিত হৈ উঠিছে। জনসংখ্যা শিক্ষাৰ ধাৰণাটো সমাজৰ জটিল সামাজিক-সাংস্কৃতিক আৰু ঐতিহাসিক ভিন্নতাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ইয়াৰোপৰি, জনসংখ্যাৰ পৰিৱৰ্তন আৰু বিকাশ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল বিষয়। পৰিয়াল, সম্প্ৰদায় অথবা ৰাষ্ট্ৰত হোৱা জনসংখ্যাৰ পৰিৱৰ্তন নিৰ্ভৰ কৰে। কিছুমান নিৰ্দিষ্ট বিবেচনাৰ ওপৰত যিবোৰ এক নিৰ্দিষ্ট প্ৰেক্ষাপট বা পৰিস্থিতিত যুক্তিযুক্ত বুলি মানুহে গণ্য কৰে। মানুহে এক নিৰ্দিষ্ট পৰিস্থিতিত লোৱা এই সিদ্ধান্ত যুক্তিপূৰ্ণনে বা অযুক্তিপূৰ্ণ সেইটো নিৰ্ভৰ কৰে সেই নিৰ্দিষ্ট পৰ্যায়ত পৰিয়াল, সম্প্ৰদায় ইত্যাদিত, জনসংখ্যা সম্পৰ্কীয় বিষয়বোৰৰ সদায় প্ৰতি থকা তেওঁলোকৰ বোধ বা বুজাৰ স্পষ্টতাত।

৪ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ তিনিটা লক্ষ্য হ'ল— (১) জনসংখ্যা দ্ৰুত বৃদ্ধিৰ সমস্যাটো আৰু এই বৃদ্ধিৰ কাৰকবোৰ সম্পৰ্কে এক বোধ শিক্ষাৰ্থীৰ মাজত গঢ়ি তোলা, (২) জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ কিদৰে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত পৰে সেই সম্পৰ্কে শিক্ষাৰ্থীৰ মাজত সঠিক বোধ সৃষ্টি কৰা। (৩) জনসংখ্যাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন ব্যক্তিৰ কাৰ্যই যে সমাজৰ আনসকলক প্ৰভাৱিত কৰে এই কথাটোৰ মৰ্ম সঠিক ৰূপত উপলব্ধি কৰা বা বুজা। পৰিয়ালৰ আকাৰ আৰু জনসংখ্যাৰ ক্ষেত্ৰত ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় সিদ্ধান্তই দীৰ্ঘকালীন ৰূপত বিশ্বৰ জনসংখ্যাৰ পৰিবৰ্তনত প্ৰভাৱ পেলায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰৰ অন্তৰ্গত প্ৰধান বিষয় কিছুমান হ'ল— (১) জনসংখ্যা আৰু অৰ্থনৈতিক বিকাশ, (২) জনসংখ্যা আৰু সামাজিক বিকাশ, (৩) জনসংখ্যা, পৰিৱেশ আৰু সম্পদ, (৪) জনসংখ্যা আৰু ঘৰুৱা জীৱন, (৫) জনসংখ্যা, স্বাস্থ্য আৰু পৰিপুষ্টি, আৰু (৬) জনসংখ্যা গতিশীলতা।